**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ধেমাজি জিলাৰ অকাজানত অনুষ্ঠিত হ'বলগীয়া জন সমাবেশত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ নিৰ্বাচিত হিতাধিকাৰীক চেক প্ৰদান কৰিব। ইতিমধ্যে ধেমাজিত মুখ্যমন্ত্ৰীৰ আগমনৰ কাৰণে সভাস্থলীত সকলোবোৰ যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰা হৈছে।

এই আঁচনিৰ অধীনত কালি বিশ্বনাথ জিলাৰ গহপুৰ সমষ্টিৰ ৩৬ হাজাৰ ৮৩৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই উপলক্ষে ভোলাগুৰিৰ ছহিদ কনকলতা বৰুৱা ৰাজ্যিক বিশ্ববিদ্যালয় চৌহদত আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰে। মহিলা সবলীকৰণৰ কাৰণে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপে বিগত চাৰি বছৰৰ পাছত ৰাজ্যৰ মহিলা উদ্যমীসকলক আত্মনিৰ্ভৰ কৰাত বিশেষ অৰিহণা যোগাইছে বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাষণ প্ৰসংগত উল্লেখ কৰে।

ইফালে, স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে মুখ্যমন্ত্ৰীৰ উপস্থিতিত কালি শিক্ষা বিভাগৰ ৮ হাজাৰবো অধিক প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত তেওঁৰ লগতে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুকে ধৰি কেইবাগৰাকী মন্ত্ৰী উপস্থিত থাকে।

oooooo

অহা ২৫ নৱেম্বৰত আৰম্ভ হ'বলগীয়া অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোতে নেলী কাণ্ডৰ প্ৰতিবেদন সদনত দাখিলৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। দিছপুৰৰ লোকসেৱা ভৱনত কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ১৯৮৩ চনত ৰাজ্যত সংঘটিত হিংসাত্মক ঘটনাৰ তদন্তৰ বাবে গঠন কৰা ত্ৰিভূবন প্ৰসাদ তিৱাৰী আয়োগৰ প্ৰতিবেদনৰ প্ৰতিলিপি বিধানসভা অধিৱেশনৰ প্ৰথম দিনটোতে দাখিল কৰা হ'ব। মন্ত্ৰীসভাই অসম মালা আঁচনিৰ তৃতীয় সংস্কৰণ আৰম্ভ কৰাৰ বাবেও অনুমোদন জনায়। আঁচনিখনৰ তৃতীয় সংস্কৰণৰ জৰিয়তে ৮৮৩ কিলোমিটাৰ পথ নিৰ্মাণ কৰা হ'ব। ইয়াৰ বাবদ তিনি হাজাৰ ২১৭ কোটি টকা ব্যয়ৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়। মন্ত্ৰীসভাৰ বৈঠকত গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ পুনৰ নিৰ্মাণত অনুমোদন জনোৱা হয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৭৬৫ কোটি টকা ব্যয় সাপেক্ষে এই প্ৰকল্পৰ পুনৰ নিৰ্মাণ কৰা হ'ব। তেওঁ কয়, যে ইয়াৰ অধীনত ২৫ হাজাৰ আসন বিশিষ্ট এখন বিশ্বমানৰ ফুটবল ষ্টেডিয়াম, বিভিন্ন ক্ৰীড়াৰ প্ৰশিক্ষণ আৰু প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুবিধা, ছুইমিং পুল নিৰ্মাণকে ধৰি অন্যান্য সুবিধাসমূহ গঢ়ি তোলা হ'ব। তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা ৰাজহচক্ৰৰ মাকুম মৌজাৰ অধীনৰ লিডু-নামডাঙত ৯ দশমি ৭ হেক্টৰ ভূমি সংৰক্ষিত বনাঞ্চল হিচাপে গঠন কৰাৰ প্ৰস্তাৱতো মন্ত্ৰীসভাই অনুমোদন জনায়। মুখ্যমন্ত্ৰীয়ে ২০২৬ চনৰ চৰকাৰী বন্ধৰ তালিকাত মন্ত্ৰীসভাৰ অনুমোদনৰ বিষয়ে প্ৰকাশ কৰি কয়, যে অনাগত বৰ্ষটোত ৩৫টা ৰাজপত্ৰিত বন্ধ, ৩৯ টা সীমিত বন্ধ আৰু এদিন অৰ্ধছুটী মঞ্জুৰ কৰা হৈছে। ইপিনে, অহা ১৮ নৱেম্বৰত জুবিন গাৰ্গৰ জন্মদিনৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ ৫৩ টা স্থানত হ'বলগীয়া ৰক্তদান

শিবিৰলৈ কাৰিকৰী সহযোগিতা আগবঢ়োৱাৰ বাবে মন্ত্ৰীসভাই স্বাস্থ্য বিভাগক দায়িত্ব অৰ্পণ কৰে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ অন্যতম আইন শিক্ষা প্ৰতিষ্ঠান ড° ৰোহিণী কান্ত বৰুৱা আইন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষ উদযাপনৰ সৈতে সংগতি ৰাখি ভাৰতৰ সংবিধান দিৱস উপলক্ষে এখন আন্তঃমহাবিদ্যালয় কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ যৌথ উদ্যোগত ২৬ নৱেম্বৰত উত্তৰ-পূৰ্বাঞ্চল ভিত্তিত এখন আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০০০

মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত হস্ততাঁত আৰু বস্ত্ৰশিল্প, ৰেচম বিভাগ আৰু ভূমি সংৰক্ষণ বিভাগৰ বিভাগীয় পৰ্যালোচনা বৈঠকত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই অংশগ্ৰহণ কৰে। এই বৈঠকত মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক আৰু বিভাগীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০

শিৱসাগৰ নগৰৰ থানামুখত যোৱানিশা সংঘটিত অগ্নিকাণ্ডত চাৰিখন দোকান ভস্মীভূত হয়। অঞ্চলটোৰ বেপাৰী মছজিদৰ সমীপৰ এখন গেলামালৰ দোকানত নিশা আকস্মিকভাৱে সূত্ৰপাত হোৱা জুই ঘন জনবসতিপূৰ্ণ ব্যৱসায়িক অঞ্চলটোত শীঘ্ৰেই বিয়পি পৰে। অগ্নি নিৰ্বাপক বাহিনী, আৰক্ষী আৰু স্থানীয় ৰাইজৰ তৎপৰতাত চাৰিখন অগ্নি নিৰ্বাপক বাহনৰ প্ৰচেষ্টাত জুই নিয়ন্ত্ৰণ কৰা হয় যদিও লক্ষাধিক টকাৰ সা-সম্পত্তি জুইত জাহ যায় বুলি আমাৰ শিৱসাগৰৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

সমাপ্ত